অধ্যায় ৫ ঃ শ্ৰৱণ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শ্ৰৱণৰ ধাৰণা আৰু গুৰুত্ব

- ৫.৩.১ শ্ৰৱণৰ প্ৰক্ৰিয়া
- ৫.৩.২ শ্ৰৱণ কৌশল
- ৫.৩.৩ শ্ৰৱণৰ দক্ষতাৰ গুৰুত্ব
- ৫.৩.৪ শ্ৰৱণৰ দক্ষতা বৃদ্ধিৰ উপায়
- ৫.৩.৫ শ্ৰৱণ প্ৰক্ৰিয়াত উদ্ভৱ হোৱা বাধা
- ৫.৩.৬ ফলপ্ৰসু শ্ৰৱণ দক্ষতাৰ লাভালাভ
- ৫.৩.৭ সচৰাচৰ উদ্ভৱ হোৱা শ্ৰৱণ সম্পৰ্কীয় দোষ

৫.৪ সক্ৰিয় শ্ৰৱণৰ প্ৰক্ৰিয়া

- ৫.৪.১ শ্ৰৱণৰ তিনিটা প্ৰাথমিক ধৰণ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শ্ৰৱণৰ ধাৰণা লাভ কৰিব
- শ্ৰৱণৰ গুৰুত্ব সম্পৰ্কে অৱগত হ'ব
- সক্ৰিয় শ্ৰৱণৰ প্ৰক্ৰিয়া সম্বন্ধে আলোচনা কৰিব।

৫.২ পৰিচয়

শ্ৰৱণ হৈছে যোগ্যযোগ প্ৰক্ৰিয়াত বার্তা আহৰণ আৰু অর্থোদ্ধাৰ কৰাৰ এক ক্ষমতা। শ্ৰৱণ ব্যৱহার্য সকলো যোগাযোগৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত গুৰুত্বপূর্ণ। সঠিকভাৱে শুনাৰ ক্ষমতা অবিহনে বার্তাসমূহ সঠিকভাৱে গঠন কৰিব পৰা নাযায়। ফলত যোগাযোগ বিচ্ছিন্ন হ'ব আৰু বার্তা প্ৰেৰকগৰাকীও নিৰাশ অথবা বিৰক্ত হ'ব। এই প্ৰক্ৰিয়াত ব্যক্তিয়ে এটা যোগাযোগৰ দক্ষতাত সিদ্ধহস্ততা অর্জন কৰিব লাগে আৰু সেই দক্ষতাটোৱেই হৈছে শ্ৰৱণ।

'Oxford Living Dictionary'-ত থকা উল্লেখ অনুসৰি, শ্ৰৱণ হৈছে কোনো শব্দ বা কাৰ্যৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ এক প্ৰক্ৰিয়া। শ্ৰৱণ হৈছে কোনো শব্দ বা কাৰ্যৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ এক প্ৰক্ৰিয়া। শ্ৰৱণৰ প্ৰক্ৰিয়াত এজন ব্যক্তিয়ে আন এজনে কি কৈ আছে, সেয়া শুনিবলৈ আৰু বুজিবলৈ চেষ্টা কৰে। শ্ৰৱণে জটিল ভাৱনা, বিষয় আৰু আচৰণ প্ৰক্ৰিয়াক সামৰি লয়। প্ৰভাৱী প্ৰক্ৰিয়াই আন গৰাকী ব্যক্তিক ক'বলৈ, বৌদ্ধিক প্ৰক্ৰিয়াই বিভিন্ন বিষয় আৰু সামাজিক বাৰ্তাক বুজি পাবলৈ, তথ্য আহৰণ কৰিবলৈ আৰু সংজ্ঞানাত্মক প্ৰক্ৰিয়াই আন গৰাকী ব্যক্তিক মৌখিক বা অনা-মৌখিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ অনুপ্ৰাণিত কৰে।

শ্ৰৱণ আনৰ কথা কৰা মানে সহমত জনোৱা নুবুজাই। এগৰাকী ব্যক্তিয়ে বক্তাৰ বক্তব্য শুনি যি তথ্য বা পথ প্ৰদৰ্শন লাভ কৰে, বক্তাই বিচৰা ধৰণে পৰিণতি লাভ নকৰিলেও তাৰ প্ৰতি সন্মতি জনাব নে নজনাই, সেই সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰৱণ হৈছে এনে এটা প্ৰক্ৰিয়া য'ত শ্ৰোতাই এগৰাকী ব্যক্তিৰ কথা শুনে, যিয়ে শ্ৰৱণযোগ্য কথা কয়। চিহ্নবিদ ৰোলাণ্ড বাৰ্থেছে শ্ৰৱণ বা মন দি শুনা (listening) আৰু শুনা (hearing)ৰ মাজত পাৰ্থক্য দেখুৱাই কৈছে, 'শুনাৰ প্ৰক্ৰিয়া (hearing) হৈছে এটা শাৰীৰিক চমৎকাৰ, আনহাতে শ্ৰৱণ (listening) হৈছে এক মনোবৈজ্ঞানিক প্ৰদৰ্শন।'

ৰোলাণ্ড বাৰ্থেছৰ মত শ্ৰৱণৰ প্ৰক্ৰিয়াক তিনিটা স্তৰত বিভাজন কৰি বুজিব পাৰে — সংকেত চিনাক্তকৰণ, অৰ্থোদ্ধাৰ আৰু শব্দ কিদৰে প্ৰেৰণ কৰা হৈছে তথা ই কিদৰে শ্ৰোতাক প্ৰভাৱিত কৰিছে, তাৰ বোধগম্যতা।

প্ৰথম স্তৰ অৰ্থাৎ সংকেত চিনাক্তকৰণত স্বাভাৱিক শব্দ সংকেতসমূহ চিনাক্ত কৰা হয়। ই সূচাই যে নিৰ্দিষ্ট স্থানত সেইবোৰৰ লগত সম্পৰ্কযুক্ত নিৰ্দিষ্ট কিছুমান শব্দ থাকে। এই প্ৰক্ৰিয়াক কোনো লোকৰ ঘৰৰ ঘটনা প্ৰবাহৰ জৰিয়তে সহজে ব্যাখ্যা কৰিব পাৰি। সকলোৰে ঘৰত নিৰ্দিষ্ট কিছুমান শব্দ সৃষ্টি হয়, যিবোৰ ঘৰৰ সদস্যসকলৰ বাবে পৰিচিত আৰু গ্ৰহণযোগ্য। দৈনন্দিন ঘটনাপ্ৰবাহৰ লগতে সম্পৰ্ক নথকা কোনো শব্দৰ (উদাহৰণ স্বৰূপে শ্ৰৱণ পথত চিঞৰ, মজিয়া অথবা খিৰিকী ভঙাৰ শব্দ) উদ্ভৱ হ'লে ঘৰৰ সদস্যসকল সম্ভাব্য বিপদৰ প্ৰতি সজাগ হৈ পৰে।

ইয়াৰ পৰৱৰ্তী স্তৰ অৰ্থাৎ অৰ্থোদ্ধাৰত শব্দৰ ব্যাখ্যাৰ সময়ত সংকেতসমূহ চিনাক্ত কৰা হয়। এই প্ৰক্ৰিয়াৰ এটা উদাহৰণ হ'ল শিশুৱে মাতৃৰ ঘৰ আগমনৰ শব্দৰ প্ৰতি অধীৰভাৱে ৰৈ থকা অৱস্থা। এই ক্ষেত্ৰত শিশুটোৱে সেইবোৰ শব্দ সংকেতৰ প্ৰতি ৰৈ আছে, (উদাহৰণস্বৰূপে চাবিৰ ঝংকাৰ, দুৱাৰৰ হেণ্ডেল পকোৱাৰ শব্দ শুনি আদি) যিবোৰে মাতৃৰ আগমনৰ বাৰ্তা প্ৰদান কৰিব পাৰে।

শ্ৰৱণৰ তৃতীয় স্তৰ উপলব্ধিয়ে এজনে কোৱা কথাই কিদৰে আন এজনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, তাক সামৰি লয়। এই প্ৰকাৰৰ শ্ৰৱণ মানুহৰ অচেতন মন অধ্যয়ন কৰা মনোবিশ্লেষণত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হয়। বাৰ্থেছৰ মতে মনোবিশ্লেষণকাৰীসকলে ৰোগীগৰাকীৰ কথা শুনি থাকোতে ৰোগীৰ সৈতে নিৰপেক্ষভাৱে কথা পাতিবলৈ তেওঁলোকৰ

পূৰ্বনিৰ্ধাৰিত সিদ্ধান্ত পৰিহাৰ কৰি চলিব লাগে। একেদৰে আনৰ কথা শুনি থাকোতেও শ্ৰোতাই তেওঁলোকৰ সিদ্ধান্ত পৰিহাৰ কৰি চলিব লাগে।

এই তিনিও প্ৰকাৰৰ শ্ৰৱণ একে সময়ত চলি থাকে।

৫.৩ শ্ৰৱণৰ ধাৰণা আৰু গুৰুত্ব

শ্ৰৱণৰ দক্ষতা সফল ৰূপত বাৰ্তা আহৰণৰ বাবে গুৰুত্বপূৰ্ণ। ই হৈছে আনে কোৱা কথা শুনা আৰু কৈ থকা ব্যক্তিগৰাকীৰ মনোবৈজ্ঞানিক অৱদানৰ মিশ্ৰণ। শ্ৰৱণ হৈছে ভাষাৰ এক দক্ষতা। ইয়াৰ বাবে অন্য ব্যক্তিক বুজাৰ ইচ্ছা, এটা সন্মানসূচক গ্ৰহণযোগ্য মনোভাৱ তথা অন্য এজনৰ দৃষ্টিভংগীৰ পৰা কোনো ঘটনা বা দিশ পৰ্যবেক্ষণ কৰাৰ বাবে নিজৰ মনক মুকলি কৰাৰ আকাংক্ষাৰ প্ৰয়োজন। এই প্ৰক্ৰিয়াৰ বাবে উচ্চ স্তৰৰ মনোযোগ আৰু সজীৱতাৰ প্ৰয়োজন। শ্ৰৱণৰ প্ৰক্ৰিয়াই আমাৰ দাবী, বিচাৰ-বিবেচনা আৰু অনুপ্ৰেৰণাক একাশৰীয়াকৈ ৰাখি আমি নিজকে আন গৰাকী ব্যক্তিৰ দৃষ্টিকোণৰ পৰা উপস্থাপন কৰাৰ লগতে জগতখনক তেওঁৰ দৃষ্টিৰে চোৱাটো বিচাৰে।

শ্ৰৱণ হৈছে এক ভাষা পদ্ধতি। ই হৈছে ভাষাৰ চাৰি প্ৰকাৰৰ ক্ষমতাৰ এটা। এই প্ৰকাৰকেইটা হৈছে— শ্ৰৱণ, কথন, পথন আৰু লিখন। ই এগৰাকী ব্যক্তিৰ সক্ৰিয়া অংশগ্ৰহণক অন্তৰ্ভুক্ত কৰে। শ্ৰৱণ প্ৰক্ৰিয়াই এজন প্ৰেৰক, এটা বাৰ্তা আৰু এজন গ্ৰাহকক (receiver)ক সামৰি লয়। ই হৈছে গ্ৰহণ, গুৰুত্ব বিশ্লেষণ আৰু মৌখিক বা অনা-মৌখিক ৰূপত প্ৰতিক্ৰিয়া প্ৰকাশৰ এক প্ৰক্ৰিয়া।

শ্ৰৱণে কেইটামান গুৰুত্বপূৰ্ণ দিশক সামৰি লয়। সেইবোৰ হ'ল —

- শব্দৰ পৃথকীকৰণ।
- শব্দ হৃদয়ংগম কৰা আৰু তাৰ গুৰুত্ব বিচাৰ কৰা।
- শব্দৰ বাক্যগত গাঁথনি চিনাক্ত কৰা।
- অৰ্থ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰযোজ্য উচ্চাৰণ আৰু অভিব্যক্তি চিনাক্ত কৰা।
- অনা-অৰ্থতাত্ত্বিক আৰু চিহ্ন-ভাষাবিজ্ঞান (Paralinguistics)ৰ লগত জড়িত হৈ থকা ধ্বনি নিৰ্দেশক চিনাক্ত কৰা।
- পূৰ্বানুমান আৰু অৰ্থ নিশ্চিত কৰিবলৈ শিক্ষাৰ ভেটি সুদৃঢ় কৰা।
- প্ৰাসংগিক চিন্তা আৰু শব্দবোৰ সমীক্ষা কৰা।

৫.৩.১ শ্ৰৱণৰ প্ৰক্ৰিয়া

শ্ৰৱণৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো পাঁচটা স্তৰত সম্পূৰ্ণ হয়। সেইকেইটা হৈছে— শুনা, বুজা, স্মৰণ, বিশ্লেষণ আৰু প্ৰতিক্ৰিয়া প্ৰকাশ। **শুনা (Hearing)**— ই শব্দ তৰংগই কাণৰ গ্ৰহণেন্দ্ৰিয়ক উদ্বেলিত কৰাৰৰ ফলত সৃষ্টি হোৱা প্ৰক্ৰিয়াক সূচায়। শ্ৰৱণ

হৈছে ধ্বনি তৰংগৰে এক প্ৰভাৱ। এজন ব্যক্তিয়ে শ্ৰৱণ (listen)ৰ বাবে শুনিব (hear) লাগিব যদিও তেওঁ কোনো কথা শুনিবলৈ শ্ৰৱণ নকৰিলেও হ'ব (শ্ৰৱণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত অবলোকনৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হোৱা যায়। মস্তিষ্কই এইবোৰ বিশ্লেষণ কৰে আৰু মনোযোগৰ বাবে মাত্ৰ কেইটামান নিৰ্বাচন কৰিবলৈ অনুমতি প্ৰদান কৰে। এই নিৰ্ণয়ৰ প্ৰক্ৰিয়াক নিৰ্বাচন (Consideration) আখ্যা দিব পাৰি, যিটো শ্ৰৱণ প্ৰক্ৰিয়াৰ বাবে অতি গুৰুত্বপূৰ্ণ।

বুজা (Understanding) ঃ এই স্তৰটোৱে আমাক দেখা আৰু শুনা চিহ্নসমূহ বুজি পোৱাত সহায় কৰে। আমি দেখা উদ্দীপকবোৰ বিশ্লেষণ কৰিব লাগে। প্ৰতীকধৰ্মী শব্দ আৰু দৃশ্যৰ বিভিন্ন উদ্দীপকবোৰৰ প্ৰতীকী অৰ্থ আছে (যেনে- নীলা ইউনিফৰ্ম)। এই প্ৰতীকসমূহত নিহিত হৈ থকা অৰ্থ আমাৰ অতীতৰ অভিজ্ঞতা আৰু প্ৰতীকসমূহৰ দ্বাৰা সংঘটিত বিশিষ্ট ঘটনাৰ ভিত্তিত নিৰূপিত হয়। ফলপ্ৰসু সম্বন্ধমূলক যোগাযোগৰ বাবে শ্ৰোতাই প্ৰত্যাশিত অৰ্থ আৰু প্ৰেৰকে গ্ৰহণ কৰা বিন্যাস বুজি পাব লাগিব।

মনত ৰখা বা স্মৰণ (Remembering) ঃ শ্ৰৱণৰ প্ৰক্ৰিয়াত স্মৰণে এক গুৰুত্বপূৰ্ণ ভূমিক পালন কৰে যিহেতু ই এগৰাকী ব্যক্তিয়ে কোনো বাৰ্তা গ্ৰহণ আৰু অনুবাদৰ লগতে মনৰ ধাৰণা ক্ষমতাকো নিৰ্দেশ কৰে। শ্ৰৱণৰ প্ৰক্ৰিয়াত যিদৰে আমাৰ নিৰ্বাচন নিৰ্দিষ্ট হয়, তেনেদৰে আমাৰ স্মৰণো নিৰ্দিষ্ট হয়। যিটো প্ৰাৰম্ভকিতে দেখা বা শুনা যায়, যি সম্পূৰ্ণ একে ৰূপত নহয় অধিকাংশ ক্ষেত্ৰত সাদৃশ্য ৰক্ষা কৰি মনত সংৰক্ষণ কৰা হয়।

বিশ্লেষণ (Evaluating) ঃ মনোযোগী ব্যক্তিসকলে শ্ৰৱণৰ এই স্তৰত আগ্ৰহ প্ৰকাশ কৰে। এই স্তৰত মনোযোগী ব্যক্তিসকলে প্ৰমাণৰ অনুমান কৰে, ভাৱনাৰ বাস্তৱিকতা পৰীক্ষা কৰে আৰু এটা বাৰ্তাত ইচ্ছা বা পক্ষপাতিত্বৰ নিকটস্থতা অথবা অনুপস্থিতিৰ সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰোতাসকলে এইটো সুনিশ্চত কৰিব লাগে যে ব্যক্তিগৰাকীয়ে এই প্ৰক্ৰিয়া সময়তকৈ পূৰ্বে আৰম্ভ নকৰে, অন্যথা শ্ৰৱণ প্ৰক্ৰিয়াটো স্থবিৰ হৈ পৰিব।

প্ৰতিক্ৰিয়া প্ৰকাশ (Responding) ঃ এই স্তৰত গ্ৰহণকাৰীয়ে বা শ্ৰোতাই মৌখিক বা অনা-মৌখিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰৱণৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰে। ইয়াৰ ভিত্তিতে বাৰ্তাটো শ্ৰোতাই গ্ৰহণ কৰিছে নে নাই সেয়া বক্তাই নিৰ্ধাৰণ কৰে। এই স্তৰটো শ্ৰৱণ প্ৰক্ৰিয়াত এটা সুস্পষ্ট গ্ৰহণযোগ্যতা নিৰ্ণয় কৰিব পাৰে।

৫.৩.২ শ্ৰৱণ কৌশল

শ্ৰৱণৰ প্ৰক্ৰিয়া হৈছে এনে এক পদ্ধতি বা অনুশীলন, যিটোৱে বৈধ ৰূপত শ্ৰৱণত নিয়োজিত জ্ঞান আৰু সমীক্ষাৰ ক্ষেত্ৰত অবদান আগবঢ়ায়। শ্ৰোতাই কিদৰে

নিয়োজিত এই দিশসমূহ গঠন কৰে, তাৰ ভিত্তিত শ্ৰৱণৰ কৌশলসমূহ নিৰ্ধাৰিত হয়। উচ্চৰপৰা নিম্নলৈ সকলো পদ্ধতি শ্ৰোতাৰ ওপৰত নিৰ্ভৰশীল। শ্ৰোতাই বিষয়বস্তু, চৌপাশৰ ঘটনাপ্ৰবাহ অথবা পৰিস্থিতি আৰু ভাষাৰ প্ৰাথমিক তথ্যৰ সুবিধা লাভ কৰে। এই প্ৰাথমিক তথ্যই শ্ৰোতাক কি শুনিলে আৰু পৰৱৰ্তী স্তৰত কি ক'ব সেয়া বুজাত সহায় কৰে। উচ্চৰ পৰা নিম্নলৈ পদ্ধতিসমূহ তলত উল্লেখ কৰা হ'ল —

- নীতি চিন্তাৰ বাবে শ্ৰৱণ
- প্ৰত্যাশা
- অংকন অন্তৰ্ভুক্তি
- সাৰাংশ

নিম্নৰ পৰা উচ্চলৈ পদ্ধতিসমূহ বিষয়ভিত্তিক হয়; শ্ৰোতাই বাৰ্তাটোৰ ধ্বনিৰ মিশ্ৰণ, শব্দ আৰু অৰ্থ প্ৰকাশ কৰা ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। নিম্নৰপৰা উচ্চলৈ পদ্ধতিসমূহ হ'ল —

- নিৰ্দিষ্ট তথ্যৰ বাবে শ্ৰৱণ
- ধাৰণাসমূহ বুজা
- শব্দ-ক্ৰমৰ গঠন আয়ত্ত কৰা।

৫.৩.৩ শ্ৰৱণৰ দক্ষতাৰ গুৰুত্ব

উচ্চ শ্ৰৱণ দক্ষতা শ্ৰোতাসকলৰ বাবে লাভজনক হিচাপে বিবেচিত হয়। এগৰাকী ব্যক্তিয়ে সজাগতাৰে কোনো কথা শুনাৰ দক্ষতাই তেওঁক তলত দিয়া সু-ফলসমূহ প্ৰদান কৰে —

- উন্নত ৰূপত কাৰ্যসমূহ বুজি পোৱা আৰু বিচৰা তথা তেওঁৰ বাবে কোনটো সূচল হ'ব সেয়া নিৰ্ধাৰণ কৰা
- সহযোগী, পৰ্যবেক্ষক আৰু গ্ৰাহকসকলৰ লগত সম্বন্ধ নিৰ্মাণ
- সমৰ্থন প্ৰদৰ্শন কৰা
- দলীয় ক্ষেত্ৰত অধিক কুশলতাৰে কাম কৰা
- গ্ৰাহক, সহকৰ্মী আৰু প্ৰৱন্ধকৰ লগত বিভিন্ন দিশ সমাধান কৰা
- প্ৰশ্ন উত্তৰ
- আনে কোৱা কথাত থকা নিহিতাৰ্থ নিৰ্ণয় কৰা।

৫.৩.৪ শ্ৰৱণৰ দক্ষতা বৃদ্ধিৰ উপায়

শুনা (Hearing) আৰু শ্ৰৱণ (listening) দুটা পৃথক প্ৰক্ৰিয়া। শুনাৰ প্ৰক্ৰিয়া নিষ্ক্ৰিয়াটো নৈমিত্তিক অনুশীলনৰ জৰিয়তে উন্নত কৰিব পাৰি। শ্ৰৱণ এটা

উপযোগী প্ৰক্ৰিয়া। সক্ৰিয় শ্ৰৱণ প্ৰক্ৰিয়াত Golden Rule ৰ বিস্তাৰ আছিল। ব্যক্তিয়ে শ্ৰৱণৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত অৱলম্বন কৰিব পৰা কেইটামান উপায় হ'ল —

- ➢ বক্তাৰ সন্মুখীন হোৱা
- ➢ চাক্ষুষ সম্পৰ্ক স্থাপন
- ➢ বাহ্যিক বাধাসমূহ হ্ৰাস কৰা
- ➢ উপযুক্তভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা
- ➢ বক্তাই কৈ থকা কথাত পূৰ্ণ মনোযোগ আৰোপ কৰা
- ➢ অভ্যন্তৰৰ বাধাসমূহ হ্ৰাস কৰা
- ➢ এক গ্ৰহণশীল দৃষ্টিভংগী ৰক্ষা কৰা
- ➢ এক তুলনামূলক পৰিস্থিতিৰ লগত কেনেকৈ মোকাবিলা কৰিব সেয়া ব্যক্ত কৰাৰ পৰা আঁতৰি থকা।
- ➢ বক্তাই আপোনাৰ বিপক্ষে অভিযোগ কৰি থাকিলেও বক্তাৰ বক্তব্য শেষ নোহোৱালৈ ৰ'ব লাগে।
- ➢ নিজকে নিযুক্ত কৰা।

৫.৩.৫ শ্ৰৱণ প্ৰক্ৰিয়াত উদ্ভৱ হোৱা বাধা

শ্ৰৱণ এক সৰল প্ৰক্ৰিয়া নহয়। কৰ্মক্ষেত্ৰতৰ ভিতৰত আৰু বাহিৰত সফল শ্ৰৱণৰ ক্ষেত্ৰত বিভিন্ন বাধাৰ সৃষ্টি হয়। এই বাধা বা সীমাবদ্ধতাসমূহ তলত দিয়াৰ দৰে দেখুৱাব পাৰি—

● মনোবৈজ্ঞানিক সমস্যা — কিছুমান মানুহৰ সুস্থ শ্ৰৱণত সীমাবদ্ধতা থাকে যিয়ে শুদ্ধকৈ শুনাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে। এই বাধাৰপৰা সুন্দৰকৈ আতৰিব পাৰি। একাংশ ব্যক্তিৰ আকৌ তথ্য প্ৰস্তুত অথবা তথ্য স্মৰণ কৰি সঞ্চয় কৰাত সীমাবদ্ধতা থাকিব পাৰে।

● দৈহিক সমস্যা — এই সীমাবদ্ধতাই পৰিৱেশত সৃষ্টি হোৱা বাধাসমূহক সূচায়। উদাহৰণস্বৰূপে শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ শব্দ, চিগাৰেটৰ ধোৱা অথবা এটা অত্যধিক উষ্ণ ৰুম। এইবোৰে শ্ৰৱণ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিব পাৰে। এইবোৰে তথ্যসমূহত অধিক বোজা প্ৰদান কৰে। উদাহৰণস্বৰূপে এগৰাকী ব্যক্তিয়ে তেওঁৰ সঞ্চালকৰ সৈতে এটা আলোচনাত ব্যস্ত হৈ আছে আৰু সেই সময়তে ব্যক্তি গৰাকীৰ মোবাইল বাজি উঠিল আৰু তেওঁ মেছেজ অহাৰ কথা গম পালে। এনে তাৎক্ষণিক পৰিস্থিতিক কি কৈ আছিল, সেই দিশলৈ মনোযোগ প্ৰদান কৰাটো কঠিন হৈ পৰে।

● অভিব্যক্তিৰ সমস্যা — ব্যক্তি বা ব্যৱসায় সম্বন্ধীয় দিশসমূহৰ ক্ষেত্ৰত গ্ৰহণ কৰা পূৰ্ব নিৰ্ধাৰিত মনোভাৱে গুৰুত্বপূৰ্ণ হ'লেও বক্তাই কোৱা কথাত মনোযোগ

আৰোপ কৰা কঠিন হৈ পৰে। অন্য এটা মততে পৰিলক্ষিত হোৱা বাধা হ'ল অহংভাব অথবা শ্ৰোতাগৰাকী বক্তাতকৈ অধিক দক্ষ বুলি গ্ৰহণ কৰা পূৰ্ব ধাৰণা অথবা বক্তাৰ বক্তব্য বা চিন্তাৰপৰা কোনো নতুন বিষয় আয়ত্ব কৰিবলগীয়া নাই বুলি কৰা বিশ্বাস। এনে ধৰণৰ অসহযোগিতাৰ মানসিকতাই ব্যক্তিক এজন নিম্নমানৰ শ্ৰোতা হিচাপে তোলে।

● ভ্ৰান্ত ধাৰণা — যোগাযোগৰ সফলতা শ্ৰোতা আৰু বক্তা উভয়ৰ ওপৰত নিৰ্ভৰ কৰে। যোগাযোগত কেৱল প্ৰেৰক বা বক্তাইহে ভূমিকাৰ পালন কৰে, শ্ৰোতাৰ এই ক্ষেত্ৰত কোনো ভূমিকা নাথাকে — এনে ধাৰণা গ্ৰহণ কৰা উচিত নহয়। উদাহৰণস্বৰূপে এটা সুন্দৰ ভাষণ বা উপস্থাপন অৰ্থহীন হৈ পৰিব পাৰে যদিহে আনটো দিশত থকা শ্ৰোতাই সেই ভাষণ বা উপস্থাপন নুশুনে। যোগাযোগ প্ৰক্ৰিয়াক সফল কৰি তোলাৰ ক্ষেত্ৰত বক্তাৰ দৰে শ্ৰোতাৰো যথেষ্ট দায়িত্ব থাকে। এই প্ৰক্ৰিয়াটো গুৰুত্ব আৰোপ, ব্যাখ্যা প্ৰদান আৰু যোগাত্মক সমালোচনাৰ প্ৰদানৰ জৰিয়তে ফলপ্ৰসু কৰি তুলিব পৰা যায়।

● সাংস্কৃতিক সমস্যা — সুৰ লহৰ শ্ৰৱণৰ ক্ষেত্ৰত এক বাধা হিচাপে চিহ্নিত হ'ব পাৰে, কিয়নো ই ব্যৱহাৰ কৰা শব্দবোৰৰ গুৰুত্ব উপলব্ধি কৰাৰ ক্ষেত্ৰত এক অনাকাংক্ষিত ৰূপত হস্তক্ষেপ কৰে। বিভিন্ন সুৰ লহৰৰ এই দিশটো বিভিন্ন সংস্কৃতিৰ প্ৰভাৱত সৃষ্টি হয়; আৰু কেতিয়াবা এটা সংস্কৃতিৰ ভিতৰতো সৃষ্টি হয়। উদাহৰণ স্বৰূপে ভাৰতৰ দৰে এখন সাংস্কৃতিক বৈচিত্ৰ্যৰ দেশত সুৰ লহৰ স্থান বিশেষে তথা ৰাজ্য বিশেষে পৃথক হয়।

● লিংগগত সমস্যা — যোগাযোগৰ ওপৰত সম্পন্ন গৱেষণাৰ পৰা প্ৰাপ্ত ফলাফল অনুসৰি লিংগই শ্ৰৱণৰ ক্ষেত্ৰ বাধাৰ সৃষ্টি কৰে। অধ্যয়নে এইটো প্ৰকাশ কৰিছে যে পুৰুষ আৰু মহিলাই বিভিন্ন উদ্দেশ্যত পৃথক-পৃথক ৰূপত শুনে। শ্ৰৱণ প্ৰক্ৰিয়াত মহিলাসকলে সাধাৰণতে বক্তাৰ বক্তব্যত অন্তৰ্নিহিত আবেগৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে পুৰুষে বাস্তৱিকতা আৰু বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

● প্ৰশিক্ষণৰ অভাৱ — শ্ৰৱণ এক স্বাভাৱিক প্ৰক্ৰিয়া নহয়। কোনো ব্যক্তিয়ে জগতলৈ এগৰাকী দক্ষ শ্ৰোতা হৈ আহে। এই প্ৰক্ৰিয়াটোৰ প্ৰশিক্ষণ আৰু প্ৰস্তুতিৰ জৰিয়তে বিকাশ সাধন কৰিব পাৰি। শ্ৰৱণৰ প্ৰক্ৰিয়াত প্ৰশিক্ষণৰ অভাৱ এক গুৰুত্বপূৰ্ণ বাধা হিচাপে স্বীকৃত।

● শ্ৰৱণৰ নিম্নস্তৰৰ অভ্যাস — অধিকাংশ ব্যক্তি যথেষ্ট নিম্নমানৰ শ্ৰৱণ প্ৰবৃত্তিযুক্ত অতি সাধাৰণ শ্ৰোতা। এইবোৰে শ্ৰৱণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে কিছুসংখ্যক ব্যক্তিৰ বক্তাৰ মনোযোগ আকৰ্ষণ কৰিবলৈ আৰু তেওঁলোকে যে মনোযোগ দি আছে, সেয়া দেখুৱাবলৈ মনোযোগ প্ৰদানৰ চলনা কৰাৰ

অথবা প্ৰকৃত শ্ৰোতা সদৃশ দেখুৱাৰ প্ৰৱণতা আছে। অন্য একাংশই প্ৰতিটো কথা শুনাৰ দৰে দেখুৱাব পাৰে যদিও কেন্দ্ৰীয় দিশটো আয়ত্ত কৰাৰ পৰা বঞ্চিত হয়।

৫.৩.৬ ফলপ্ৰসু শ্ৰৱণৰ দক্ষতাৰ লাভালাভ

শক্তিশালী শ্ৰৱণ দক্ষতাৰ শিক্ষণে আত্ম-বিকাশ আৰু সহযোগিতাৰ প্ৰক্ৰিয়া বিকাশৰ ক্ষেত্ৰত সহায় কৰে। ফলপ্ৰসু শ্ৰৱণৰ প্ৰয়োজনীয়তাসমূহ হ'ল —

- প্ৰভাৱশালী যোগাযোগ
- ক্ৰমহ্ৰাসমান ভুল বুজাবুজি
- সম্পৰ্কৰ উন্নতি সাধন
- ব্যক্তিগত বিকাশ

৫.৩.৭ সচৰাচৰ উদ্ভৱ হোৱা শ্ৰৱণ সম্পৰ্কী দোষ

শ্ৰৱণৰ সময়ত এগৰাকী ব্যক্তিয়ে কিছুমান সাধাৰণ ভুল কৰে। সেইবোৰৰ কেইটামান হ'ল —

- বক্তাৰ বক্তব্যত হস্তক্ষেপ কৰা
- বক্তাৰ বাক্য সময়তকৈ পূৰ্বে শেষ কৰা
- অন্যৰ কাহিনী নিজৰ হিচাপে উপস্থাপন কৰাৰ অভ্যাস। ই কথনৰ গুৰুত্ব হ্ৰাস কৰে আৰু বক্তাৰ কাহিনী কম গুৰুত্বপূৰ্ণ কোনো বিষয়ৰ লগত জড়িত কৰায়।
- কথোপকথনক দমন কৰা — এগৰাকী ব্যক্তি যিয়ে কথোপকথনত প্ৰভাৱ বিস্তাৰ কৰে, তেওঁ ওপৰত উল্লেখ কৰা সকলো ভুল পদক্ষেপবোৰ গ্ৰহণ কৰে আৰু তেওঁ কোনো কথা শুনিবলৈ আগ্ৰহ প্ৰকাশ নকৰে।

৫.৪ সক্ৰিয় শ্ৰৱণৰ প্ৰক্ৰিয়া

সক্ৰিয় শ্ৰৱণ হৈছে এটা যোগাযোগৰ বিশেষ পদ্ধতি যিটোত শ্ৰোতাসকলে তেওঁলোকে শুনা বিষয়ৰ ওপৰত বক্তাজনক সমালোচনা আগবঢ়ায়। তেওঁলোকে শুনা কথাবোৰ নিজৰ ভাষাত নতুনকৈ মিলাই লয় অথবা নতুন শব্দ প্ৰয়োগ কৰি কথাবোৰ সজাই লয়। এই প্ৰক্ৰিয়াৰ মূল লক্ষ্য হৈছে শ্ৰোতাই যে শুনিছে তাৰ প্ৰতি নিশ্চিত প্ৰদান কৰাৰ লগতে উভয় পক্ষৰ বোধগম্যতা সু-নিশ্চিত কৰা। প্ৰভাৱশালী ৰূপত শ্ৰৱণ কৰাৰ প্ৰক্ৰিয়াই আন্তৰিকতাক সূচিত কৰে আৰু কোনো বিষয় যে অবমূল্যায়িত হোৱা নাই প্ৰদান কৰাৰ লগতে প্ৰক্ৰিয়াই আন্তৰিকতাক সূচিত কৰে আৰু কোনো বিষয় যে অবমূল্যায়িত হোৱা নাই তাৰো নিশ্চিত প্ৰদান কৰে। সক্ৰিয় শ্ৰৱণ ব্যক্তিগত সম্পৰ্কৰ উন্নতি সাধন কৰিবলৈ নিয়মিত ৰূপত ব্যৱহাৰ কৰা হয়। লগতে ভুল বিচাৰ কৰা, মতানৈক্যৰ হাৰ হ্ৰাস কৰা, অংশগ্ৰহণ বৃদ্ধি কৰা আৰু বুজাবুজিৰ হাৰ বৃদ্ধি কৰাৰৰ বাবেও সক্ৰিয়া শ্ৰৱণ প্ৰয়োগ

কৰা হয়।

কোনো নির্দিষ্ট ব্যক্তিৰ লগত যোগাযোগ স্থাপন কৰোতে, এগৰাকী শ্রোতাই সক্রিয় শ্ৰৱণৰ নীতিসমূহ অনুসৰণ কৰিব লাগে। এই ক্ষেত্রত প্রতিটো নীতিয়ে বক্তাৰ সৈতে যোগাযোগ স্থাপনৰ ক্ষেত্রত প্রয়োজনীয়।

সেইদৰে সক্রিয় শ্ৰৱণে বক্তাৰ আচৰণ আৰু শাৰীৰিক ভাৱভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বক্তাৰ শাৰীৰিক ভাব-ভংগী ওপৰত গুৰুত্ব আৰোপ কৰা বাবে শ্রোতাই বক্তাৰ বার্তা সম্পর্কে এটি নির্দিষ্ট ধাৰণা গঠন কৰিবলৈ সক্ষম হয়।

৫.৪.১ শ্ৰৱণৰ তিনিটা প্রাথমিক ধৰণ

শ্ৰৱণৰ তিনিটা প্রাথমিক ধৰণ বা পদ্ধতি হ'ল —

সক্রিয় বা প্রতিক্রিয়ামূলক শ্ৰৱণ

ই আটাইতকৈ গুৰুত্বপূর্ণ আৰু মূল্যবান শ্ৰৱণৰ ধৰণ। সক্রিয় শ্ৰৱণত প্রকৃততে শ্রোতাই বক্তাৰ ভাব, অনুভৱ আয়ত্ব কৰাৰ লগতে বার্তাৰ অর্থ বুজি পায়। ব্যক্তিগৰাকীয়ে নতুন বার্তাৰে প্রতিক্রিয়া প্রকাশ কৰাৰ পূর্বে তেওঁ বক্তাগৰাকীয়ে নতুন বার্তাৰে প্রতিক্রিয়া প্রকাশ কৰাৰ পূর্বে তেওঁ বক্তাৰ বক্তব্যৰ অর্থোদ্ধাৰৰ বাবে সক্রিয় ভূমিকা পালন কৰে। শ্রোতাই বার্তাৰ বিষয়টো পুনৰুক্তি বা নতুনকৈ গঠন কৰে আৰু বিবেচনাৰ বাবে প্রেৰকৰ ওচৰকৈ ওভতাই পঠাই। এই সন্মতি বা সংলগ্ন কৰাৰ প্রক্রিয়া সক্রিয় শ্ৰৱণৰ ক্ষেত্রত প্রয়োজন আৰু ই এই প্রক্রিয়াক শক্তিশালী কৰি তোলে।

তলত উল্লেখ কৰাবোৰ সক্রিয় শ্ৰৱণৰ বাবে প্রয়োজনী —

- প্রভাৱ (Force)
- সহানুভূতি
- স্বীকৃতি
- সম্পূর্ণতাৰ বাবে দায়িত্ব স্বীকাৰ কৰা

নিষ্ক্রিয় বা মনোযোগী শ্ৰৱণ

এই প্রকাৰৰ শ্ৰৱণত শ্রোতাই আন গৰাকী ব্যক্তিৰ কথা শুনিবলৈ তথা তেওঁৰ দৃষ্টিভংগী জানিবলৈ ইচ্ছুক হয়। তেওঁ মনোযোগী হয় আৰু নিষ্ক্রিয়ভাৱে কথাবোৰ শুনে। শ্রোতাই ভাবে যে তেওঁ যি কথা শুনিছে আৰু বুজিছে, সেয়া শুদ্ধ আৰু সেয়েহে নিষ্ক্রিয় হৈ থাকে তথা বিশ্লেষণ কৰি নাচায়।

প্রতিযোগিতামূলক বা বিবাদমূলক শ্ৰৱণ

এই প্রকাৰৰ শ্ৰৱণ সাধিত হয় যেতিয়া শ্রোতাই আনগৰাকী ব্যক্তিৰ দৃষ্টি বুজা বা বিচাৰ কৰাৰ সলনি তেওঁৰ নিজস্ব দৃষ্টিভংগী সাব্যস্ত কৰিবলৈ অধিক ইচ্ছুক হৈ পৰে। তেওঁ আনক সম্বোধন কৰাৰ সুবিধা পাবলৈ অথবা ত্রুটি বা শক্তিহীন দৃষ্টিভংগীৰ বাবে শুনে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শ্ৰৱণৰ দক্ষতাৰ গুৰুত্বসমূহ ব্যাখ্যা কৰক।

.....

প্ৰশ্ন নং ২ ঃ ফলপ্ৰসু শ্ৰৱণ লাভালাভবোৰ কি কি?

.....

প্ৰশ্ন নং ৩ ঃ সাধাৰণতে উদ্ভৱ হোৱা শ্ৰৱণৰ ত্ৰুটিসমূহ কি কি?

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শ্ৰৱণ হৈছে যোগাযোগ প্ৰক্ৰিয়াত বাৰ্তা আহৰণ আৰু অৰ্থোদ্ধাৰ কৰাৰ এক ক্ষমতা।
- চিহ্নবিদ ৰোলাণ্ড বাৰ্থেছে শ্ৰৱণ বা মন দি শুনা (listening) আৰু শুনা (hearing) ৰ মাজত পাৰ্থক্য দেখুৱাই কৈছে, 'শুনাৰ প্ৰক্ৰিয়া (hearing) হৈছে এটা শাৰীৰিক চমৎকাৰ, আনহাতে শ্ৰৱণ (listering) হৈছে এক মনোবৈজ্ঞানিক প্ৰদৰ্শন।'
- ৰোলাণ্ড বাৰ্থেছৰ মতে, শ্ৰৱণৰ প্ৰক্ৰিয়া তিনিটা স্তৰত বিভাজন কৰি বুজিব পাৰি — সংকেত চিনাক্তকৰণ, অৰ্থোদ্ধাৰ আৰু শব্দ কিদৰে প্ৰেৰণ কৰা হৈছে তথা ই কিদৰে শ্ৰোতাক প্ৰভাৱিত কৰিছে, তাৰ বোধগম্যতা।
- শ্ৰৱণ হৈছে ভাষাৰ এক দক্ষতা। ইয়াৰ বাবে অন্য ব্যক্তিক বুজাৰ ইচ্ছা, এটা সন্মানসূচক-গ্ৰহণযোগ্য মনোভাৱ তথা অন্য এজনৰ সৃষ্টিভংগীৰপৰা কোনো ঘটনা বা দিশ পৰ্যবেক্ষণ কৰাৰ বাবে নিজৰ মনক মুকলি কৰাৰ আকাংক্ষাৰ প্ৰয়োজন।
- শ্ৰৱণৰ প্ৰক্ৰিয়াটো পাঁচটা স্তৰত সম্পূৰ্ণ হয়। সেইকেইটা হৈছে— শুনা, বুজা, স্মৰণ, বিশ্লেষণ আৰু প্ৰতিক্ৰিয়া প্ৰকাশ।
- শুনা (Hearing) আৰু শ্ৰৱণ (listening) দুটা পৃথক প্ৰক্ৰিয়া। শুনাৰ প্ৰক্ৰিয়া নিষ্ক্ৰিয় হোৱাৰ বিপৰীতে শ্ৰৱণৰ প্ৰক্ৰিয়া সক্ৰিয়।
- সক্ৰিয় শ্ৰৱণ হৈছে এটা যোগাযোগৰ বিশেষ পদ্ধতি যিটোত শ্ৰোতাসকলে তেওঁলোকে শুনা বিষয়ৰ ওপৰত বক্তাজনক সমালোচনা আগবঢ়ায়, তেওঁলোকে শুনা কথাবোৰ নিজৰ ভাষাত নতুনকৈ মিলাই লয় অথবা নতুন শব্দ প্ৰয়োগ কৰি কথাবোৰ সজাই লয়।
- সক্ৰিয় শ্ৰৱণে বক্তাৰ আচৰণ আৰু শাৰীৰিক ভাব-ভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰে।



৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Asemota, M.E. (2015) : Nature, Importance and Practice of Listening skill, British Journal of Education, Vol. 3, No-7, PP. 27-33.
2. Tyagi, B (2013) : Listening : An Important skill and its various Aspects, Journal in English, Vol-12 February.



৫.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শ্ৰৱণ দক্ষতা শ্ৰোতাসকলৰ বাবে লাভজনক হিচাপে বিবেচিত হয়। এগৰাকী ব্যক্তিয়ে সজাগতাৰে কোনো কথা শুনাৰ দক্ষতাই তেওঁক তলত দিয়া ফলসমূহ প্ৰদান কৰে — উন্নত ৰূপত কাৰ্যসমূহ বুজি পোৱা, সহযোগী, পৰ্যবেক্ষক আৰু গ্ৰাহকসকলৰ লগত সম্বন্ধ নিৰ্মাণ, সমৰ্থন প্ৰদৰ্শন কৰা, দলীয় ক্ষেত্ৰত অধিক কুশলতাৰে কাম কৰা, গ্ৰাহক, সহকৰ্মী আৰু প্ৰৱন্ধকৰ লগতে বিভিন্ন দিশ সমাধান কৰঙ্গ, প্ৰশ্ন উত্তৰ, আনে কোৱা কথাৰ নিহিতাৰ্থ নিৰ্ণয় কৰা।

২নং প্ৰশ্নৰ উত্তৰ ঃ শক্তিশালী শ্ৰৱণ দক্ষতাৰ শিক্ষণে আত্মবিকাশ আৰু সহযোগিতাৰ প্ৰক্ৰিয়া বিকাশৰ ক্ষেত্ৰত সহায় কৰে। ফলপ্ৰসু শ্ৰৱণৰ প্ৰয়োজনীয়তাসমূহ হ'ল — প্ৰভাৱশালী যোগাযোগ, ক্ৰমহ্ৰাসমান ভুল বুজাবুজি, সম্পৰ্কৰ উন্নতি সাধন, ব্যক্তিগত বিকাশ

৩নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰৱণৰ সময়ত এগৰাকী ব্যক্তিয়ে কিছুমান সাধাৰণ ভুল কৰে। সেইবোৰৰ কেইটামান হ'ল — বক্তাৰ বক্তব্যত হস্তক্ষেপ কৰা, বক্তাৰ বাক্য সময়তকৈ পূৰ্বে শেষ কৰা, অন্যৰ কাহিনী নিজৰ হিচাপে উপস্থাপন কৰাৰ অভ্যাস। ই কথনৰ গুৰুত্ব হ্ৰাস কৰে আৰু বক্তাৰ কাহিনী কম গুৰুত্বপূৰ্ণ কোনো বিষয়ৰ লগতে জড়িত কৰায়, কথোপকথনক দমন কৰা।



৫.৮ আৰ্হি প্ৰশ্ন

চমু উত্তৰ প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ শ্ৰৱণৰ দক্ষতা বৃদ্ধিৰ উপায়সমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ শ্ৰৱণৰ কৌশলসমূহ কি কি?

দীঘল উত্তৰ প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ শ্ৰৱণৰ প্ৰক্ৰিয়াসমূহৰ ব্যাখ্যা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ শ্ৰৱণ প্ৰক্ৰিয়াত উদ্ভৱ হোৱা বাধাসমূহ কি কি?

*** ***** ***